জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৯২/২০২২

## কাজিৰঙাত অনুষ্ঠিত তিনিদিনীয়া চিন্তন শিৰিৰৰ সামৰণি

# ২০২৬ চনৰ ভিতৰত বিভিন্ন খণ্ডত সুনিৰ্দিষ্ট বিকাশৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তুত কৰিব কৰ্মসূচী

# চিন্তন শিৰিৰৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ বিষয়ববীয়াৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

**দিছপুৰ, ২৬ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাজ্য চৰকাৰে উন্নয়নৰ দিশত নিজৰ দায়িত্ব কেৱল নিয়ন্ত্ৰক হিচাপে পালন নকৰি বিভিন্ন অংশীদাৰসকলক বিকাশৰ গতি ত্বৰান্বিত কৰাত সহায়কাৰীৰ ভূমিকাত অৱতীৰ্ণ হোৱা উচিত। আজি কাজিৰঙাত অনুষ্ঠিত চিন্তন শিৰিৰৰ সামৰণি অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ বিকাশৰ গতি খৰতকীয়া কৰাৰ বাবে তথা সময় নিৰ্দ্ধাৰিতভাৱে এই দিশত গ্ৰহণ কৰা পদক্ষেপসমূহৰ ৰূপায়ণ সম্পূৰ্ণ কৰি তোলাৰ বাবে অংশীদাৰসকলক সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াবলৈ ৰাজ্য চৰকাৰ দায়বদ্ধ। তেওঁ কয় যে ৰাজ্যৰ উন্নয়নৰ ধাৰা অধিক গতিশীল কৰা আৰু ইয়াৰ জৰিয়তে যাতে জনসাধাৰণ উপকৃত হ'ব পাৰে সেই লক্ষ্য নিৰ্দ্ধাৰণৰ বাবে কাৰ্যকৰী ব্যৱস্থাসমূহৰ ওপৰত আলোচনা কৰিবলৈ ৰাজ্য চৰকাৰে তিনিদিনীয়া চিন্তন শিৰিৰৰ আয়োজন কৰিছিল। তেওঁ কয় যে এই চিন্তন শিৰিৰৰ ফলস্বৰূপে সকলো বিভাগে বিকাশৰ গতি অধিক ক্ষিপ্ৰ কৰাৰ উদ্দেশ্যৰে কেতবোৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব। পৰৱৰ্তী পৰ্যায়ত বিভাগসমূহে এই কাৰ্যকৰী ব্যৱস্থাসমূহ অনুমোদনৰ বাবে চৰকাৰৰ ওচৰত দাখিল কৰিব। চৰকাৰে সকলো বিভাগৰ পৰা এই দিশত প্ৰয়োজনীয় প্ৰস্তাৱসমূহ লাভ কৰাৰ পিছত জনসাধাৰণৰ জ্ঞাতাৰ্থে চৰকাৰী ৱেব চাইটত সেইসমূহ আপলোড কৰিব।

মুখ্যমন্ত্ৰীয়ে বিভাগসমূহক তেওঁলোকৰ ভৱিষ্য দৰ্শন সুনিৰ্দিষ্ট কৰি ২০২৬ চনৰ ভিতৰত ইয়াক কাৰ্যকৰী কৰিব পৰাকৈ প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে কয় যে যি সমূহ ব্যৱস্থা বিভাগসমূহে গ্ৰহণ কৰিব সেইসমূহ প্ৰতিজন কৰ্মচাৰীক অৱগত কৰি সমগ্ৰ প্ৰক্ৰিয়াটোৰ সৈতে জড়িত কৰাব লাগিব যাতে ইয়াৰ জৰিয়তে এক শক্তিশালী ভেটি গঢ়ি তুলিব পৰা যায় আৰু ২০২৬ চনৰ ভিতৰত নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'ব পৰা যায়। মুখ্যমন্ত্ৰীয়ে আন্তঃবিভাগীয় সমন্বয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে বিভাগসমূহক সুকীয়া গোট হিচাপে চোৱাৰ পৰিৱৰ্তে সামগ্ৰিকভাৱে চৰকাৰক এটা সত্ত্বা হিচাপে গণ্য কৰি কাম কৰিব লাগিব।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ বিকাশৰ গতি ত্বৰান্বিত কৰাৰ বাবে নিজস্ব সম্পদ আহৰণ কৰাৰ বাবে এক ব্লু প্ৰিণ্ট প্ৰস্তুত কৰিব লাগিব। তেওঁ লগতে কয় যে চৰকাৰী ৰাজহ সংগ্ৰহৰ প্ৰক্ৰিয়াটো অধিক কাৰ্যক্ষম কৰি তোলাৰ ক্ষেত্ৰটো এই চিন্তন শিৱিৰত হোৱা আলোচনাই সহায় কৰিব।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে যিসকল যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সক্ষম হোৱা নাই তেওঁলোকৰ বাবে কৰ্ম সংস্থাপন সৃষ্টি কৰাৰ উদ্দেশ্যে চৰকাৰে ৫ হাজাৰ কোটি টকাৰ এটা পুঁজি গঠন কৰিব।

মুখ্যমন্ত্ৰীয়ে কয় যে বিভিন্ন উদ্যোগিক প্ৰতিষ্ঠানৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত গ্ৰহণ কৰা পদক্ষেপসমূহৰ জৰিয়তে ৰাজ্যখন যাতে অধিকভাৱে লাভান্বিত হ'ব পাৰে আৰু বিভিন্ন কৰ্প'ৰেট গোটসমূহে ৰাজ্যখনলৈ অধিক অৱদান আগবঢ়াব পাৰে তাৰ বাবে এক মঞ্চ গঠন কৰাৰ উদ্দেশ্যে ৰাজ্যত এখন কৰ্প'ৰেট ছ'চিয়েল ৰেচপ'নচিবিলিটি সন্মিলন অনুষ্ঠিত কৰাতো প্ৰয়োজনীয়। প্ৰশাসন ব্যৱস্থাটো অধিক ফলপ্ৰসূ কৰি তোলা আৰু শাসন ব্যৱস্থাটো ৰাইজৰ অধিক কাষ চপাই নিয়াৰ বাবে অসম চৰকাৰে ডিজিটেলাইজেশ্যন প্ৰক্ৰিয়াটো অধিক ব্যাপক কৰি তুলিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

এক লক্ষ্য নিৰ্দ্ধাৰিতভাৱে কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগক ৰাজ্যৰ চাহ বাগিচা এলেকাৰ প্ৰসূতিৰ মৃত্যুৰ হাৰ আৰু নৱজাতকৰ মৃত্যুৰ হ্ৰাস কৰাৰ বাবে অধিক পদক্ষেপ গ্ৰহণৰ বাবেও কয়। তেওঁ লগতে কয় যে চাহ বাগিচা অঞ্চলসমূহত সামাজিক খণ্ডত নিৰাপত্তা সুনিশ্চিত কৰিবলৈ সকলো চাহ বাগিচাৰ চিকিৎসালয়ত প্ৰাতিষ্ঠানিক প্ৰসৱ সম্পন্ন কৰিব পৰাকৈ কাৰ্যক্ষম কৰাৰ প্ৰয়োজনীয়তা আছে। প্ৰসূতি মাতৃৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ বাবে অধিক ব্লাড বেংক স্থাপন কৰা হ'ব বুলিও তেওঁ কয়। ৰাজ্যত বিশেষকৈ চৰ আৰু চাহ বাগিচা এলেকাত যাতে কোনো চিকিৎসকৰ পদ খালী হৈ নাথাকে তাৰ বাবে চৰকাৰে নিশ্চিত পদক্ষেপ গ্ৰহণ কৰিব বুলিও ডº শৰ্মাই কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যত প্লাইউড উদ্যোগ পুনৰুজ্জীৱিত কৰাৰ বাবে ৰাজ্য চৰকাৰে কাম কৰিব। যোৱা ১৬ মাহে ৰাজ্য চৰকাৰে বহু সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মুখ্য সচিবক এই সিদ্ধান্তসমূহ সামৰি এখন পুস্তিকা প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিয়ে।

চিন্তন শিৱিৰৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ অধ্যক্ষ ডº বিবেক দেবৰয়ৰ নেতৃত্বত অহা এক প্ৰতিনিধি দলৰ সৈতেও আলোচনাত মিলিত হয়। অসমৰ সম্পদ আৰু সম্ভাৱনাসমূহৰ জৰিয়তে উন্নয়নৰ ৰূপ ৰেখা অধিক শক্তিশালী কৰা আৰু সমস্যাসমূহ সমাধানৰ জৰিয়তে অসমৰ উন্নয়নৰ গতি অধিক ক্ষিপ্ৰতৰ কৰাৰ দিশতো এই বৈঠকত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধি দলটোক অসম ভ্ৰমণ কৰি চিন্তন শিৱিৰক এক নতুন মাত্ৰা দিয়াৰ বাবেও ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ সদস্য সঞ্জীৱ সান্যাল আৰু প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ যুটীয়া সচিব পৱন কুমাৰ ছাইনেও এই বৈঠকত উপস্থিত থাকে। প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ প্ৰতিনিধিসকলে চিন্তন শিৱিৰত অংশ লোৱা চৰকাৰী বিষয়াসকলকো সম্বোধন কৰে।

**সুঃদঃ / পুঃডেঃ**
**২৬/০৯/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in